# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-09 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

-------------------

অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ৰখা হৈছে। জনসাধাৰণে হিয়াৰ আমঠু শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰিছে। শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজি গোটেই নিশা আৰু কাইলৈও ষ্টেডিয়াম খোলা থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দৰ্শনাৰ্থীসকলে শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱাৰ পাছত ষ্টেডিয়ামখনৰ ৩ নম্বৰ দুৱাৰেৰে ওলাই যাব পাৰিব। ইপিনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে। ষ্টেডিয়ামলৈ অনাৰ পূৰ্বে শিল্পীগৰাকীৰ নশ্বৰ দেহ কাহিলিপাৰাৰ নিজ বাসগৃহলৈ নিয়া হয়।

আজি পুৱা প্ৰায় চাৰে ৬ বজাত এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ লৈ অনা হয়। চৌদিশে কেৱল হুমুনিয়াহ আৰু চকুলোৰ মাজত শিল্পীগৰাকী অগণন জনতাৰ মাজেৰে প্ৰায় চাৰে ৬ ঘণ্টাজোৰা যাত্ৰাৰ অন্তত কাহিলিপাৰাৰ নিজ বাসগৃহত অন্তিম বাৰৰ বাবে উপস্থিত হয়।

ৰাজ্য চৰকাৰে আজি সন্ধিয়া শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সন্দৰ্ভত এখন কেবিনেট বৈঠক আহ্বান কৰিছে। পৰিয়ালৰ ইচ্ছা অনুসৰি সোণাপুৰতে জুবিন গাৰ্গৰ সমাধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি ইতিমধ্যে মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে।

বাইট

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন ৰঙৰ সৈতে কথা পাতিছে বুলি জনাইছে।

oooooo

বিৰল প্ৰতিভাসম্পন্ন শিল্পী, একাধিক প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকত ম্ৰিয়মান হৈ আছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও প্ৰিয় শিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হৈছে। তিনিচুকীয়া জিলাৰ মাকুমত আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এটা সমদল উলিওৱা হয়। দৰং জিলা সাহিত্য সভা, মঙলদৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, মঙলদৈ মহাবিদ্যালয়কে ধৰি দৰং জিলাৰ বিভিন্ন স্থানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সমূহীয়া প্ৰাৰ্থনা সভা, ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠান আদি আয়োজন কৰা হৈছে।

কোচবিহাৰৰ মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ আৰু নামঘৰ সমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে মহান শিল্পীগৰাকীৰ আত্মাৰ সদ্গতি কামনা কৰি আজিৰে পৰা অহা ২৭ ছেপ্তেম্বৰলৈ সপ্তাহজোৰা ভাগৱত পাঠ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি মধুপুৰ সত্ৰৰ ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ পিতাম্বৰ ভকতে এই ভাগৱত পাঠৰ শুভাৰম্ভ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰা ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ অৰুণাচল প্ৰদেশত ৫ হাজাৰ ১০০ কোটি টকাতকৈও অধিক পৰিমানৰ পুঁজি বয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ দুটা বৃহৎ জলবিদ্যুৎ প্ৰকল্প আধাৰশিলাও স্থাপন কৰিব। এই কাৰ্যসূচীৰ মাজতে প্ৰধানমন্ত্ৰীয়ে আন বিভিন্ন প্ৰকল্পৰ লগতে টাৱাঙৰ সীমান্ত জিলাত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক সন্মিলন কেন্দ্ৰৰো আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে এহেজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাথনি প্ৰকল্প মুকলি কৰিব। এই প্ৰকল্পসমূহৰ জৰিয়তে ৰাজ্যখনৰ যোগাযোগ, স্বাস্থ্য, অগ্নি নিৰ্বাপন সেৱাকে ধৰি কেইবাটাও ক্ষেত্ৰৰ আন্তঃগাথনি উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰিব।

ত্ৰিপুৰাৰ মাতাবাৰীৰ মাতা ত্ৰিপুৰা সুন্দৰীৰ চৌহদত প্ৰধানমন্ত্ৰীয়ে ভালেমান উন্নয়নমূলক কাম-কাজৰ শুভাৰম্ভ কৰিব।

০০০০০০

আজি মহালয়া। মহালয়াৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস কৰা হয়। ইয়াৰ লগে লগেই পিতৃ পক্ষৰ সমাপ্তি ঘটি দেৱী পক্ষৰ সূচনা হয়। কাইলৈ নৱৰাত্ৰিৰ প্ৰথম দিনটোত দেৱীক শৈল্যপুত্ৰীৰ ৰূপত পূজা দি শাৰদীয় দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হ'ব। এইবাৰ দেৱীয়ে হস্তীত আগমন কৰিব আৰু ঘোঁৰাৰে গমন কৰিব। মহালয়া উপলক্ষে পিতৃ পুৰুষৰ শ্ৰাদ্ধ পাৰ্বন আদি কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পূৰ্বপুৰুষৰ আত্মাৰ সদগতিৰ বাবে ভক্তসকলে মহালয়াৰ পৱিত্ৰ ক্ষণত শ্ৰাদ্ধ আগবঢ়ায়। উল্লেখযোগ্য যে প্ৰতিবছৰে উজনি অসমৰ যোৰহাটকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত মহালয়া উপলক্ষে পুৱাতে সমদল উলিওৱা হয় যদিও এইবাৰ জনতাৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত সকলো স্থবিৰ হৈ পৰে। যোৰহাট, শিৱসাগৰকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শাৰদীয় দুৰ্গা পূজা সমিতিসমূহে মহালয়াৰ প্ৰভাতফেৰী আৰু শোভাযাত্ৰা বাতিল কৰে। প্ৰতি শৰতৰ প্ৰভাতক গীতেৰে সম্ভাষণ জনোৱা জনগণৰ আপোন শিল্পীগৰাকীৰ বিয়োগে এইবাৰ শাৰদীয় পূজাৰ পৰিবেশো ম্লান কৰি তুলিছে।

০০০০০০

জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে আজি আৰু কাইলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। কাইলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ

লগতে আজি হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যায়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ